# 70th Anniversary of the Establishment of Diplomatic Relations between India and China

April 01, 2020

---

# ভাৰত আৰু চীনৰ মাজৰ স্থাপিত হোৱা কূটনৈতিক সম্পৰ্কৰ ৭০তম বাৰ্ষিকী

এপ্ৰিল 01, 2020

1. ভাৰত আৰু চীনৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭০তম বাৰ্ষিকী উপলক্ষে ১ এপ্ৰিল, ২০২০ তাৰিখে ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু গণ প্ৰজাতন্ত্ৰী চীন দেশৰ মাজত শুভেচ্ছামূলক বাৰ্তা বিনিময় হয়।

2. ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি শ্ৰী ৰাম নাথ কোবিন্দে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙলৈ প্ৰেৰণ কৰা পত্ৰত চৰকাৰ আৰু চীনৰ নাগৰিকসকললৈ 'উষ্ম শুভেচ্ছা, অভিনন্দন আৰু শুভ কামনা' জ্ঞাপন কৰে আৰু এই কথাও কয় যে 'বিগত কিছু বছৰত তেওঁলোকৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক ৰাজনৈতিক, অৰ্থনৈতিক আৰু মানুহৰ-মানুহৰ প্ৰতি সম্বন্ধকে আদি কৰি প্ৰায় সংখ্যক ক্ষেত্ৰতে দুয়োপক্ষই উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।'

3. প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে চীনা প্ৰধান লি কেপিয়াংলৈ প্ৰেৰণ কৰা তেওঁৰ বাৰ্তাত কয় যে 'বহু শতিকা জুৰি পাৰস্পৰিক লাভজনক বিনিময়ৰ এক ঐশ্বৰ্যময় ইতিহাসেৰে সহিতে ভাৰত আৰু চীন দুয়োখনেই একো একোখন প্ৰাচীন সভ্যতা। আজি আমি দুয়োখনেই বৃহৎ উন্নয়ণশীল দেশ আৰু উদীয়মান অৰ্থনীতি যিয়ে বিশ্বৰ দৰবাৰত এক গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰি আহিছে। ভাৰত আৰু চীনৰ মাজৰ সু-সম্পৰ্ক কেৱল আমাৰ দুয়োখন দেশৰ বাবেই সহায়ক নহয়, বৰঞ্চ আমাৰ ক্ষেত্ৰৰ আৰু সমগ্ৰ বিশ্বৰ শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ দৃষ্টিকোণৰ পৰাও যথেষ্ট গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰীয়ে আৰু কয় যে 'ক'ভিড-১৯ মহামাৰীয়ে আমাক সমগ্ৰ বিশ্বৰ পাৰস্পৰিক সম্বন্ধৰ কথা আৰু লগতে এক বিশ্বজনীন প্ৰতিক্ৰিয়া গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ কথাও সোঁৱৰাই দিয়ে" আৰু লগতে কয় যে 'আহিবলগীয়া সময়ত আমাৰ এই নিকটতম উন্নয়নশীল বন্ধুত্ব অধিক গভীৰ আৰু গাঢ় কৰি শিখৰলৈ লৈ যাবৰ বাবে' চীনৰ প্ৰধানৰ সৈতে ভৱিষ্যতেও একেলগে কাম কৰি যাব বুলি আশা ৰাখে।

4. বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড এচ. জয়শংকৰে চীনা বৈদেশিক মন্ত্ৰী ৱাং য়ি লৈ প্ৰেৰণ কৰা পত্ৰত উল্লেখ কৰে যে বিগত সাতটা দশকত 'ভাৰত-চীন সম্পৰ্ক যথেষ্ট পৰিমাণে গাঢ় হোৱাৰ লগতে বৰ্দ্ধিত ৰূপত বিচিত্ৰতা আৰু বহুমুখীতাৰে পৰিপূৰ্ণ হৈ উঠিছে। ‘তেওঁ লগতে কয় যে ক'ভিড-১৯ৰ প্ৰাদুৰ্ভাৱৰ ফলস্বৰূপে দুয়োপক্ষই এই ঐতিহাসিক বাৰ্ষিকী উদযাপন উপলক্ষে পূৰ্বতে পৰিকল্পনা কৰি থোৱা ক্ৰিয়া-কলাপসমূহ কাৰ্যকৰী কৰিবলৈ ব্যৰ্থ হয়। যি কি নহওঁক, আমি আহিবলগীয়া মাহবোৰত সমন্বয়তাৰে কাম কৰি যাব লাগিব আৰু যেতিয়া আমাৰ লগতে সমগ্ৰ

বিশ্বই ক'ভিড–১৯ৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব, এই ক্ষণৰ গুৰুত্ব আৰু দেশদুখনৰ নাগৰিকৰ ইচ্ছাক প্ৰতিফলিত কৰি আমি এই ক্ষণ উদযাপন কৰিম।'

5. ক'ভিড–১৯ মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ ফলস্বৰূপে ভাৰত আৰু চীনে এই পৰ্যন্ত দুই দেশৰ কূটনৈতিক সম্পৰ্ক স্থাপনৰ ঐতিহাসিক ৭০তম বাৰ্ষিকী উদযাপন উপলক্ষে পূৰ্বতে পৰিকল্পনা কৰি থোৱা প্ৰস্তুতিসমূহ চলাবলৈ ব্যৰ্থ হৈছে। যি কি নহওঁক, দুয়োখন দেশে ক'ভিড–১৯ মহামাৰীয়ে আগবঢ়োৱা প্ৰত্যাহ্বানৰ সৈতে যুঁজ দিয়াৰ লগতে এই ঐতিহাসিক বাৰ্ষিকী এই ক্ষণৰ গুৰুত্ব আৰু দেশদুখনৰ নাগৰিকৰ ইচ্ছাক প্ৰতিফলিত কৰি উদযাপন কৰিবৰ বাবে আলোচনা চলাই যাব। দুয়োপক্ষই বৰ্তমান এই উদযাপনসমূহ ক প্ৰতিনিধিত্ব কৰিবৰ বাবে এটি প্ৰতীকচিহ্ন প্ৰস্তুতকৰণৰ যুটীয়াভাৱে কৰি আছে।

**নতুন দিল্লী**
**এপ্ৰিল 01, 2020**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**